Total No. of Printed Pages—3

# 3 SEM TDC ASMH (CBCS) C 6

## 2022

( Nov/Dec )

ASSAMESE

( Core )

Paper : C–6

**( অসমীয়া কবিতাৰ চানেকি )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়াঁ : ১×৮=৮

(ক) 'চৰ্য্যাচৰ্য্যবিনিশ্চয়' নামটো কোনে ব্যৱহাৰ কৰিছে?

(খ) তোমাৰ পাঠ্য 'শঙ্খিনী চিত্ৰিণী নাৰী' শীৰ্ষক কাব্যাংশ মাধৱ কন্দলিৰ 'ৰামায়ণ'ৰ কোনটো কাণ্ডৰ ভিতৰুৱা?

(গ) শ্ৰীমন্ত শংকৰদেৱৰ বৰগীতত উল্লেখ থকা 'সুৰবৈৰী' শব্দৰ অৰ্থ লিখাঁ।

(ঘ) ৰসৰ দৃষ্টিৰে 'উষা পৰিণয়' কাব্যখনত প্ৰাধান্য পোৱা ৰসবিধৰ নাম লিখাঁ।

(ঙ) 'বাৰ মাহৰ তেৰ গীত' গ্ৰন্থখনৰ সম্পাদকজনৰ নাম লিখাঁ।

(চ) 'সৌন্দৰ্য্যৰ আৰাধানা জীৱনৰ খেল' অসমীয়া কোন-গৰাকী কবিৰ কবিতাৰ ভাৱাদৰ্শ?

(ছ) ইংৰাজী 'Ballad' শব্দৰ সমাৰ্থক এটি অসমীয়া শব্দ লিখাঁ।

(জ) 'যাজ্ঞসেনী' নামেৰে ভাৰতীয় কোনগৰাকী নাৰীক উল্লেখ কৰা হয়?

২। (ক) যুদ্ধোত্তৰ যুগৰ অসমীয়া কবিতাৰ গতিপ্ৰকৃতি সন্দৰ্ভত এটি প্ৰবন্ধ আগবঢ়োৱাঁ। ১৫

*অথবা*

(খ) বৈষ্ণৱ যুগৰ অসমীয়া কবিতাৰ ইতিহাস বৰ্ণাই এটি আলোচনা প্ৰস্তুত কৰাঁ।

৩। (ক) তোমাৰ পাঠ্য জিকিৰটোৰ তাৎপৰ্য বিচাৰ কৰাঁ। ১৪

*অথবা*

(খ) 'নাহৰৰ মালিতা' শীৰ্ষক কবিতাংশৰ বিষয়বস্তুৰ বিৱৰণ দাঙি ধৰাঁ।

৪। (ক) তোমাৰ পাঠ্য চৰ্যাগীতটোৰ সাহিত্যিক সৌন্দৰ্য বিচাৰ কৰাঁ। ১০

*অথবা*

(খ) তোমাৰ পাঠ্য চৰ্যাটি কাৰ ৰচনা? চৰ্যাটিৰ গূঢ়াৰ্থ আলোচনা কৰা। ১+৯=১০





৫। (ক) কবি পৰিচয় দাঙি ধৰি তোমাৰ পাঠ্য মাধৱ কন্দলি 'ৰামায়ণ'ৰ কাব্যাংশৰ সাহিত্যিক সৌন্দৰ্য বিচাৰ কৰাঁ। ৪+১০=১৪

*অথবা*

(খ) বৰগীতৰ লক্ষণসমূহ উল্লেখ কৰি 'সুন সুন ৰে সুৰ' বৰগীতটিৰ সন্দৰ্ভত এটি আলোচনা আগবঢ়োৱাঁ। ১৪

৬। (ক) 'চুলি নাবান্ধিবা যাজ্ঞসেনী' কবিতাটো কবিৰ কোনখন কাব্যপুথিৰ পৰা লোৱা হৈছে? কবিতাটোৰ জৰিয়তে কবিয়ে কেনেধৰণৰ সামাজিক ভাবাদৰ্শৰ প্ৰতিফলন ঘটাইছে, আলোচনা কৰাঁ। ১+১৪=১৫

*অথবা*

(খ) 'ওলমি থকা গোলাপী জামুৰ লগ্ন' শীৰ্ষক কবিতাটিৰ ভাববস্তুৰ বিচাৰ আগবঢ়োৱাঁ। ১৫

৭। চমু টোকা লিখা (যি কোনো এটা): ৪

(ক) মালিতা

(খ) জিকিৰ

(গ) চন্দ্ৰকুমাৰ আগৰৱালা

(ঘ) নৱকান্ত বৰুৱা

★★★